**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১১। বিৰোধী নেতা মল্লিকাৰ্জুন খাৰ্গেৰ বিৰুদ্ধে বিজেপিৰ সাংসদ অনুৰাগ ঠাকুৰে উত্থাপন কৰা ভূমি বেদখলৰ অভিযোগকে ধৰি ভিন ভিন কাৰণত সংসদৰ বিৰোধী পক্ষৰ সদস্যসকলে আজি সদন ত্যাগ কৰে।

২। লোকসভাত কালি গৃহীত ৱক্‌ফ সংশোধনী বিধেয়কৰ প্ৰতি সমগ্ৰ দেশৰ প্ৰখ্যাত নেতাসকলে আদৰণি জনাইছে।

৩। ষষ্ঠ BIMSTEC শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বেংককত উপস্থিত হৈছে। কাইলৈ হ'বলগীয়া এই সন্মিলনৰ মূল বিষয়বস্তু হ'ল – 'BIMSTEC-সমৃদ্ধিশালী, স্থিতিস্থাপক আৰু মুকলি'।

৪। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ্ জয়শংকৰে BIMSTEC গোষ্ঠীৰ সদস্য ৰাষ্ট্ৰসমূহক সংগঠনটোৰ প্ৰতি অধিক অভিলাষী দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

আৰু

৫। আই পি এল টী টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত আজি ছানৰাইজাৰ্ছ হায়দৰাবাদ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

বিৰোধী নেতা মল্লিকাৰ্জুন খাৰ্গেৰ বিৰুদ্ধে বিজেপিৰ সাংসদ অনুৰাগ ঠাকুৰে উত্থাপন কৰা ভূমি বেদখলৰ অভিযোগৰ প্ৰতিবাদত ৰাজ্যসভাৰ বিৰোধী পক্ষৰ সদস্যসকলে আজি সদন ত্যাগ কৰে। আজি পুৱা সদন মিলিত হোৱাৰ সময়তে শ্ৰী খাৰ্গেই কয়, যে বিজেপিৰ নেতাজনে উত্থাপন কৰা এই ভিত্তিহীন অভিযোগে তেওঁৰ ভাৱমূৰ্তি ম্লান কৰিছে। শ্ৰী ঠাকুৰে কালি লোকসভাত প্ৰকাশ কৰা এই মন্তব্যৰ বাবে বিৰোধী পক্ষৰ নেতাগৰাকীয়ে তেওঁক ক্ষমা খুজিবলৈ দাবী জনায়। ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে কয়, যে সদন বিবেচনাহীন তথ্য দাখিলৰ কেন্দ্ৰ নহয় আৰু দশক দশক জোৰা সাধনাৰে অৰ্জন কৰা সুনাম কোনোবাই পোনছাটেই বিনষ্ট কৰিব, সেয়া হ'ব নোৱাৰে। তেওঁ লগতে কয়, যে সদনৰ কাৰ্য বিৱৰণীৰ পৰা বাদ দিয়া বিষয় এটা পুনৰ আলোচনা কৰা উচিত নহয়। শ্ৰী ধনখড়ে এই সন্দৰ্ভত এটা উপযুক্ত ব্যৱস্থা উদ্ভাৱন কৰিবলৈ সদনৰ নৈতিকতা সমিতিৰ অধ্যক্ষ ঘনশ্যাম তিৱাৰীক আহ্বান জনায়। এই সন্দৰ্ভত তেওঁ আৰু কয়, যে প্ৰধানমন্ত্ৰী, সদনৰ নেতা, বিৰোধী পক্ষৰ নেতা আৰু প্ৰতিগৰাকী সদস্য নিজাববীয়া সুনামৰ অধিকাৰী। সভাপতিগৰাকীৰ এনে মন্তব্যৰ পাছতেই কংগ্ৰেছ, টি এম চি, ডি এম কে আৰু অন্যান্য দলৰ সদস্যসকলে সদন ত্যাগ কৰে।

একেদৰে, লোকসভাতো কেৰালাৰ কংগ্ৰেছ সাংসদ আন কেইবাগৰাকীও বিৰোধী পক্ষৰ সদস্যই আজি সদন ত্যাগ কৰে। সংখ্যালঘু সম্প্ৰদায়ৰ বিৰুদ্ধে আক্ৰমণৰ প্ৰতিবাদত তেওঁলোকে এই পদক্ষেপ গ্ৰহণ কৰে। পৰৱৰ্তী সময়ত সংসদৰ বাহিৰত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাৰ সময়ত কংগ্ৰেছ নেতা কে চি বেণুগোপালে

জববলপুৰত সংঘটিত এটা দুৰ্ভাগ্যজনক ঘটনাৰ বিষয়ে উল্লেখ কৰি কয়, যে এই ঘটনাত দুজন পিতৃক এটা উন্মত্ত দলে আক্ৰমণ কৰাৰ অভিযোগ উঠিছে। এই ঘটনাৰ বাবে তেওঁ বিজেপিক দোষাৰোপ কৰে।

০০০০০০০০০

লোকসভাত কালি গৃহীত ৱক্‌ফ সংশোধনী বিধেয়কৰ প্ৰতি দেশৰ প্ৰখ্যাত নেতাসকলে আদৰণি জনাইছে। আইনী ক্ষেত্ৰ আৰু বৌদ্ধিক মহলৰ বিজ্ঞ ব্যক্তিসকলে এই বিধেয়কৰ প্ৰতি তেওঁলোকৰ সমৰ্থন আগবঢ়াইছে। তেওঁলোকে কৈছে যে ইয়াৰ ফলত কেন্দ্ৰীয় আৰু ৰাজ্যিক ৱ্‌কফ ব'ৰ্ডৰ বিভিন্ন দুৰ্নীতি আৰু ন্যায়িক দিশৰ সমস্যাসমূহ সমাধান কৰিব পৰা যাব। আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা কথা-বতৰাত কৰ্ণাটকৰ ৰাজ্যিক সংখ্যালঘু আয়োগৰ অধ্যক্ষ আনোৱাৰ মণিপাডিয়ে কয়, যে এই বিধেয়কখন কাৰ্যকৰী হ'লে ৱক্‌ফ ব'ৰ্ডৰ যিকোনো ৰায় সন্দৰ্ভত জনসাধাৰণে উচ্চ আদালতৰ কাষ চপাৰ সুবিধা লাভ কৰিব।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে লোকসভাই বিৰোধী পক্ষই উত্থাপন কৰা সংশোধনৰ প্ৰস্তাৱ খাৰিজ কৰি ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ গৃহীত কৰিছে। লোকসভাত কালি ২৮৮ গৰাকী সাংসদে বিধেয়কখনৰ সপক্ষে আৰু ২৩২ গৰাকী সদস্যই ইয়াৰ বিপক্ষে ভোটদান কৰে। নিম্ন সদনত শেষ নিশালৈকে ১২ ঘণ্টাৰো অধিক সময় ধৰি বিধেয়কখনক লৈ আলোচনা কৰা হয়। ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ৰ মূল উদ্দেশ্য হৈছে- ঐতিহ্যস্থলীসমূহৰ সুৰক্ষা আৰু সামাজিক কল্যাণ সুনিশ্চিত কৰা। এই বিধেয়কখনৰ জৰিয়তে ৱক্‌ফ পৰিষদৰ সা-সম্পত্তিৰ ব্যৱস্থাপনাৰ দিশটো অধিক স্বচ্ছ কৰি তোলাৰ লগতে ৱক্‌ফ পৰিষদ আৰু স্থানীয় কৰ্তৃপক্ষসমূহৰ মাজত সমন্বয় গঢ়ি তুলিবলৈ বিচৰা হৈছে। বিধেয়কখনত মুছলমান মহিলা বিশেষকৈ স্বামীহাৰা আৰু বিবাহ বিচ্ছেদিত মহিলাসকলৰ আৰ্থ-সামাজিক স্থিতি উন্নয়নৰ ব্যৱস্থা আছে।

০০০০০০০০০

ৱক্‌ফ সংশোধনী বিধেয়ক, ২০২৫ সন্দৰ্ভত অসত্যৰ আশ্ৰয় লোৱা বুলি এল জে পিৰ ৰামবিলাস গোটৰ মুৰব্বী চিৰাগ পাছোৱানে বিৰোধী পক্ষৰ নেতাসকলক দোষাৰোপ কৰিছে। এই বিধেয়কখন মুছলমান বিৰোধী বুলি বিৰোধী নেতাসকলে মিছাকৈ প্ৰচাৰ কৰিছে বুলি মত প্ৰকাশ কৰি তেওঁ ওলোটাই কয়, যে দৰাচলতে এই বিধেয়কখন দৰিদ্ৰ মুছলমান আৰু মহিলাসকলৰ স্বাৰ্থৰ অনুকুলেহে গ্ৰহণ কৰা হৈছে। ইয়াৰ জৰিয়তে সম্পূৰ্ণ প্ৰক্ৰিয়াটো স্বচ্ছ হৈ পৰিব বুলিও সংসদৰ বাহিৰত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত নেতাগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০০০

———ষষ্ঠ BIMSTEC শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি থাইলেণ্ডৰ বেংককত উপস্থিত হৈছে। বেংকক বিমান বন্দৰত উপস্থিত হোৱাৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীক দেশখনৰ উপ-প্ৰধানমন্ত্ৰী ছুৰিয়া জুংৰুংৰেংগ্‌কিটে আদৰণি জনায়। ২০১৬ আৰু ২০১৯ বৰ্ষৰ পাছত এয়া হ'ল প্ৰধানমন্ত্ৰী মোদীৰ তৃতীয়টো থাইলেণ্ড ভ্ৰমণ। বেংককত উপস্থিত হোৱাৰ পাছত সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে আসন্ন আনুষ্ঠানিক আলোচনাত অংশগ্ৰহণ কৰাৰ বাবে আৰু থাইলেণ্ডৰ সৈতে ভাৰতৰ সহযোগিতামূলক সম্পৰ্ক সুদৃঢ় কৰি তোলাৰ প্ৰতি তেওঁ আগ্ৰহেৰে অপেক্ষা কৰি আছে।

দুদিনীয়া এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি সন্ধিয়া থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী পিটংটাৰ্ন চিনাৱাট্ৰাৰ সৈতে দ্বিপাক্ষিক আলোচনাত অংশগ্ৰহণ কৰিব। এই আলোচনাৰ সময়ত তেওঁলোকে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক

সম্পৰ্কৰ সামগ্ৰিক বিষয় লৈ আলোচনা কৰাৰ লগতে আঞ্চলিক আৰু বহুপাক্ষিক বিষয়সমূহৰ ক্ষেত্ৰত ভাৰত আৰু থাইলেণ্ডৰ মাজৰ দ্বিপাক্ষিক সহযোগিতাৰ বিষয়ে মত বিনিময় কৰিব। দুয়োখন দেশৰ মাজত কেইবাখনো চুক্তি সম্পাদিত হ'বলগীয়া সময়তো তেওঁলোক উপস্থিত থাকিব।

উল্লেখযোগ্য যে কাইলৈ হ'বলগীয়া ষষ্ঠ BIMSTEC শীৰ্ষ সন্মিলনৰ মূল বিষয়বস্তু হ'ল - 'BIMSTEC-সমৃদ্ধিশালী, স্থিতিস্থাপক আৰু মুকলি'। এইবেলি শীৰ্ষ সন্মিলনত 'বেংকক দৃষ্টিভংগী-২০৩০' আনুষ্ঠানিকভাৱে গ্ৰহণ কৰাৰ লগতে সংগঠনটোৰ পৰৱৰ্তী কাৰ্যব্যৱস্থা নিৰূপণৰ উদ্দেশ্যে BIMSTEC-ৰ বিশিষ্ট ব্যক্তিসকলৰ গোটে দাখিল কৰা প্ৰতিবেদনখন বিবেচনালৈ অনা হ'ব। এই ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী মোদীয়ে থাইলেণ্ডৰ দশমগৰাকী ৰজা ৰাম আৰু দেশখনৰ ৰাণীগৰাকীক সাক্ষাৎ কৰিব।

ooooooooo

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ্ জয়শংকৰে BIMSTEC গোষ্ঠীৰ সদস্য ৰাষ্ট্ৰসমূহক সাম্প্ৰতিক বিশ্বৰ প্ৰেক্ষাপটত সামগ্ৰিক অনিশ্চয়তা তথা অস্থিৰতাৰ বিষয়ে বিবেচনা কৰি সংগঠনটোৰ প্ৰতি অধিক অভিলাষী দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। থাইলেণ্ডৰ বেংককত BIMSTEC-ৰ মন্ত্ৰী পৰ্যায়ৰ কুৰি সংখ্যক বৈঠকত ভাষণ দি ড° জয়শংকৰে কয়, যে সংগঠনটোৰ নতুন শৃংখলাটো মূলতঃ আঞ্চলিক তথা বিষয়নিষ্ঠ হৈ উঠিছে। BIMSTEC-ক ভাৰতবৰ্ষৰ পূবলৈ চোৱা, চুবুৰীয়াক অগ্ৰাধিকাৰ প্ৰদান আৰু মহা-সাগৰ দৃষ্টিভংগী - এই তিনিবিধ নীতিৰ সমাহাৰ বুলি অভিহিত কৰি তেওঁ লগতে কয়, যে এই সংগঠনটো সম্প্ৰতি দেশৰ ভাৰত-প্ৰশান্ত মহাসাগৰীয় দায়বদ্ধতাৰ পথ প্ৰদৰ্শক সদৃশ হৈ উঠিছে।

বিদেশ মন্ত্ৰীগৰাকীয়ে সদস্য ৰাষ্ট্ৰসমূহক চাইবাৰ সুৰক্ষা, সন্ত্ৰাসবাদ প্ৰতিৰোধী পদক্ষেপ, মানৱ সৰবৰাহ, অবৈধ নিচাযুক্ত সামগ্ৰীৰ বেহা আৰু আনুসংগিক আন বিভিন্ন গুৰুতৰ সমস্যাসমূহৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি এই সন্দৰ্ভত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। একে সময়তে, শেহতীয়াকৈ বৃহৎ ভূমিকম্পৰ কবলত পৰা ম্যানমাৰ আৰু থাইলেণ্ডৰ প্ৰতি ভাৰতৰ সহমৰ্মিতা তথা সমৰ্থনো তেওঁ ব্যক্ত কৰে। উল্লেখযোগ্য যে আজিৰ বৈঠকৰ সময়ত নৌ পৰিবহণৰ ক্ষেত্ৰত সহযোগিতা সন্দৰ্ভত BIMSTEC ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰী সকলে এখন চুক্তিত স্বাক্ষৰ কৰে।

ooooooooo

উচ্চতম ন্যায়ালয়ে আজি পশ্চিমবংগৰ বিদ্যালয়সমূহৰ ২৫ হাজাৰৰো অধিক শিক্ষক আৰু আন কৰ্মীৰ নিযুক্তি অবৈধ বুলি কলকতা উচ্চ ন্যায়ালয়ে দিয়া ৰায় বাহাল ৰাখিছে। উচ্চতম ন্যায়ালয়ে কয়, যে সমগ্ৰ নিযুক্তি প্ৰক্ৰিয়াটো আসোঁৱাহযুক্ত আৰু ইয়াৰ বিশ্বাসযোগ্যতা আৰু বৈধতা গ্ৰহণযোগ্য নহয়. দেশৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ সঞ্জয় কুমাৰক লৈ গঠিত বিচাৰপীঠে কয়, যে অনাগত তিনি মাহৰ ভিতৰত এটা নতুন নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব লাগিব। অৱশ্যে বিচাৰপীঠে লগতে মানৱীয় দৃষ্টিভংগীৰে দিব্যাংগ কৰ্মচাৰীসকলৰ চাকৰি অব্যাহত ৰখাৰ নিৰ্দেশ দিছে। ইয়াৰ লগতে কোনো অভিযোগ নথকা কৰ্মচাৰীসকলক নতুন প্ৰক্ৰিয়াৰ পৰা অব্যাহত দিবলৈ নিৰ্দেশ দিছে।

ooooooooo

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই আজি বিয়লি ৩ বজাত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত ২০২৪ বৰ্ষৰ ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মানসমূহ প্ৰদান কৰিব। অৱসৰপ্ৰাপ্ত সেনা বিষয়া

লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতালৈ  অসম বৈভৱ সন্মান আগবঢ়োৱা হৈছে। সংগীত শিল্পী দ্বীপেন বৰুৱা, নাট্যকাৰ হেমন্ত দত্ত, ক্ৰিকেটাৰ উমা ছেত্ৰী আৰু টাটা কনছালটেন্সি ছাৰ্ভিচেছৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° এছ ৰামদুৰাই, ৰাষ্ট্ৰীয় ফৰেনছিক বিজ্ঞান বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° বাপ্পী পাল আৰু বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° পূৰবী শইকীয়াক অসম সৌৰভ সন্মান প্ৰদান কৰা হ'ব।

একেদৰে, শগুণৰ সংৰক্ষণৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি থকা ফুলেশ্বৰী দত্ত আৰু বাইক ৰাইডাৰ মিনাক্ষী দাসকে ধৰি বিভিন্ন ক্ষেত্ৰত সমাজ জীৱনলৈ বিশেষ বৰঙণি আগবঢ়োৱা ১২গৰাকী ব্যক্তিৰ লগতে আন তিনিটা প্ৰতিষ্ঠানক অসম গৌৰৱ সন্মানৰ বাবে বাছনি কৰা হৈছে। এই প্ৰতিষ্ঠানকেইটা হৈছে কলিয়াবৰৰ চোৰেং এহেম, তিনিচুকীয়াৰ বাৰেকুৰি গাঁৱৰ হলৌ বান্দৰ সংৰক্ষণৰ বাবে অহৰ্নিশে কাম কৰি অহা ইকো-ডেভেলপ ছ'চাইটী আৰু বন্যহস্তীৰ হকে দীৰ্ঘদিনে কাম কৰি অহা নগাঁৱৰ হাতীবন্ধু।

০০০০০০০০০

আই পি এল টী টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, যোৱাবাৰৰ চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত কালি অনুষ্ঠিত  প্ৰতিযোগিতাৰ এখন খেলত গুজৰাট টাইটানছে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক ৮ উইকেটত পৰাস্ত কৰে।

০০০০০০

সমাপ্ত